লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ৩; সংখ্যা: ৪; জানুৱাৰী-জুন, ২০২২

# ভাৱ জোঁটনি

✍ বিভাৰাণী তালুকদাৰ

বন-তুলসীৰ হাতত ধৰা
লতা-কেৰেলাৰ কোমল আঙুলি
বন নিৰাবলৈ গৈ
ধৰি আনো কেমেৰাত

জুম কৰি চালে দেখি
আমাৰ মাজৰ খীন চুলিৰেখা
সীমা আঁকি কিদৰে ভগোৱা যায় ভাবৰ
বিস্তৃতিক !

লতা-আঙুলিয়ে লিখা
কেঁচকলি কবিতাফাঁকি
ভাৱৰ জোঁট খুলি হাওলি গ'লে হঠাৎ
লম্ব হৈ পৰে কৰ্ণ
ভূমি যদিও একেটাই

প্ৰেমৰ কবিতা লিখাতো কঠিন
আৰু প্ৰেম
আছেনে কবিতাক লগাকৈ সিমানে গহীন
(ভাবি ভাবি ৰাতিটো কাটি, কবিতাৰ তাতেই
ইতি)

চকুপানী চেলেকি পূৰাব নোৱাৰি
দিবলৈ পাহৰা নিমখকণ
ৰসায়ন শেষ হ'লে সকলো উদং ৰভাতল
মোৰ নাতিহঁতে কথাবোৰ নুবুজা সাধু বুলি
ভাবে
নুবুজি খিলখিলাই হাঁহে
মইহে সকীয়াই থাকোঁ—
ফুঁটাই পঢ়িবা পাঠ
জোঁটাই জোৰাবা ভাৱ ।

**যোগাযোগৰ ঠিকনা:**
বিশিষ্ট কবি, সহকাৰী অধ্যাপক
পৰিসংখ্যা বিভাগ
গোৰেশ্বৰ মহাবিদ্যালয়